**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-06-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাজ্যৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে। অৱশ্যে ৯ খন জিলাৰ প্ৰায় ৩৯০ খন গাঁৱৰ ১ লাখ ৬০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। বছৰৰ প্ৰথমটো বান আৰু ভূমিস্খলনত এতিয়ালৈকে ২৭ জন লোকে প্ৰাণ হেৰুৱাইছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে বানপীড়িত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ তথ্য অনুসৰি এতিয়াও ৪৩ টা আশ্ৰয় শিবিৰত ছহেজাৰৰো অধিক লোকে আশ্ৰয় গ্ৰহণ কৰি আছে। ৰাজ্যখনৰ নদীসমূহ বৰ্তমান বিপদসীমাৰ তলেৰে বৈ আছে।

০০০০০০

চাহ বাগিচাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ লগতে কৰ্মচাৰীসকলক পাঁচ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদানৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আৰম্ভ কৰা **মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত** আঁচনিৰ এখন সভা কালি ডিব্ৰুগড় জিলা আয়ুক্তৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত আয়ুক্ত বিক্ৰম কৈৰীয়ে জিলাখনৰ চাহ বাগিচাসমূহৰ কৰ্তৃপক্ষক নিজৰ নিজৰ বাগিচাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ লগতে কৰ্মচাৰীসকলৰ আধাৰ কাৰ্ডৰ প্ৰতিলিপি, বেংক একাউণ্টৰ সবিশেষ জমা দিবলৈ আহ্বান জনায়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱা, সহকাৰী আয়ুক্ত সুৰভি শ্ৰীবাস্তৱা, পূজা বৰা আদি উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰেচম বিভাগৰ জিলা পৰ্যায়ৰ বাচনি সমিতিৰ এখন সভা অনুষ্ঠিত হয়। সভাত ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন -গ্ৰামীনৰ অধীনত এৰী পালনৰ যাৱতীয় সা-সজুলিৰ বিতৰণৰ বাবে ৰেচম উৎপাদনৰ লগত জড়িত বচা বচা মহিলা হিতাধিকাৰীৰ চূড়ান্ত তালিকাত অনুমোদন জনোৱা হয়। ডিব্ৰুগড় জিলাত মুঠ ১২ গৰাকী ৰেচম উৎপাদনৰ লগত জড়িত মহিলা হিতাধিকাৰীক বাচি উলিওৱা হৈছে।

০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে যোৰহাটতো জিলা প্ৰশাসনৰ সহযোগত জিলা কৃষি বিভাগে কৃষক পঞ্জীয়ন কাৰ্যসূচী অব্যাহত ৰাখিছে। জিলাখনৰ বিভিন্ন পঞ্চায়ত পৰ্যায়ত কৃষক পঞ্জীয়ন শিবিৰ সম্পন্ন হোৱাৰ পাছত সম্প্ৰতি জিলা কৃষি বিষয়াৰ কাৰ্যালয় আৰু সাধাৰণ সেৱা কেন্দ্ৰসমূহত এই প্ৰক্ৰিয়া চলি আছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিকে ধৰি বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা গ্ৰহণৰ বাবে এই কৃষক পঞ্জীয়নৰ প্ৰয়োজন হয়।

০০০০০০

অ' এন জি চিয়ে তেওঁলোকৰ কৰ্পোৰেট সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত অসমৰ লগতে ঝাৰখণ্ড, নাগালেণ্ড আৰু অন্ধ্ৰপ্ৰদেশত ৭৫ টা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ উন্নীতকৰণৰ ব্যৱস্থা কৰিছে। এই

কেন্দ্রসমূহৰ ভিতৰত অসমৰ শিৱসাগৰ, যোৰহাট আৰু কাছাৰত ২৮ টা কেন্দ্র আছে। এই কেন্দ্রসমূহত স্মাৰ্ট টি ভি, ব্লুটুথ স্পীকাৰ, শিক্ষামূলক সামগ্ৰী আদিৰ আধুনিক সুবিধা সংযোজন কৰা হৈছে। প্রায় পাঁচ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা অংগনবাড়ী কেন্দ্রসমূহৰ হস্তান্তৰ প্ৰক্ৰিয়া অলপতে শিৱসাগৰত আনুষ্ঠানিকভাৱে সম্পন্ন কৰা হয়।

০০০০০০

গোলাঘাট আইন মহাবিদ্যালয়ত ৫ বছৰীয়া আইন পাঠ্যক্রম আৰম্ভ কৰা হৈছে। ১৯৭৯ চনত গোলাঘাট নগৰৰ বেঙেনাখোৱাত স্থাপন কৰা আইন শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠানখনত এইবছৰৰ পৰা ৫ বছৰীয়া আইনী পাঠ্যক্রমৰ সংযোজনে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব বুলি আশা কৰা হৈছে। শেহতীয়াকৈ বাৰ কাউঞ্চিল অব্ ইণ্ডিয়াই ৫ বছৰীয়া আইন স্নাতক পাঠ্যক্রমত অনুমোদন জনোৱা কাৰ্যক মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু গোলাঘাটবাসী উৎফুল্লিত হৈ পৰিছে।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সীমান্তৱৰ্তী মেঘালয়ৰ ৰাজাবালা থানা এলেকাৰ অধীনৰ গোৰবান্ধত আজি পুৱা দুখন যাত্ৰীবাহী বাছৰ মাজৰ সংঘৰ্ষত কেইবাজনো যাত্ৰী আহত হয়। পুৱা প্রায় ৬ বজাত গুৱাহাটীৰ পৰা মানকাচৰ অভিমুখে এখন নৈশ বাছ আৰু মানকাচৰৰ পৰা গোৱালপাৰালৈ গৈ থকা বাছ দুখনৰ মাজত মুখামুখি সংঘৰ্ষ হয়। এই দুৰ্ঘটনাত গোৱালপাৰালৈ গৈ থকা বাছখনৰ চালকসহ কেইবাগৰাকী যাত্ৰী আহত হয়। আহতসকলক তাৎক্ষণিকভাৱে নিকটৱৰ্তী জেলদুপাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয়। ইয়াৰে এগৰাকী মহিলাৰ অৱস্থা সংকটজনক বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০০

গোলাঘাট জিলাৰ বোকাখাটৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৰজাবাৰীত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। নিহত লোকজন নগাঁও জিলাৰ চামগুৰিৰ ছফিকুল ইছলাম বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। দুয়োজন লোকে এখন স্কুটিৰে শিৱসাগৰৰ পৰা নগাঁৱলৈ আহি থকা অৱস্থাত বিপৰীত দিশৰ পৰা অহা এখন মালবাহী ব'লেৰো পিকআপ ভানে মহতিয়াই নিয়াত লোকজনৰ থিতাতে মৃত্যু হয়।

০০০০০০

নগাঁও চৰকাৰী বালক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষাবিদ তথা ক্ৰীড়া সংগঠক আলিমুজ জামানৰ গুৱাহাটীৰ নিজা বাসভৱনত আজি পুৱা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৩ বছৰ।

০০০০০০

সমাপ্ত